# অসম আৰক্ষী

## নাগৰিক সমিতি
## অসমৰ সামূহিক আৰক্ষী ব্যৱস্থাৰ এক অনবদ্য আৰ্হি

**কুলধৰ শইকীয়া, আই পি এছ**

আৰক্ষী সঞ্চালকপ্ৰধান,অসম
উলুবাৰী, গুৱাহাটী



*অনুভৱৰ দুআষাৰ...*

আৰক্ষীক কৰ্তব্য পালনত সহায়-সহযোগিতা কৰাৰ উদ্দেশ্যে নাগৰিক সমিতিৰ ধাৰণাক ১৯৯৬ চনৰ জুলাইত গুৱাহাটী মহানগৰ আৰক্ষীয়ে সাকাৰ ৰূপ দিছিল। সেই সময়ত গুৱাহাটীত মহানগৰ আৰক্ষীৰ অধীক্ষক হিচাপে মই সাধাৰণ নাগৰিকৰ মাজত এই প্ৰচেষ্টাৰ প্ৰতি উৎসাহজনক সঁহাৰি দেখিলো। মই আনন্দিত যে কম সময়ৰ ভিতৰতে এই ধাৰণাৰ প্ৰসাৰ ঘটিল আৰু আমাৰ ৰাজ্যৰ সকলো থানাতে নাগৰিক সমিতি গঠন হ'ল। এয়া সামূহিক আৰক্ষী প্ৰকল্পৰ অন্যতম চৰ্চিত আৰু সফল অধ্যায়। এটোপাল পানীৰ পৰা যেন সমুদ্ৰ হ'ল।

মই এই প্ৰকল্পৰ সফলতা কামনা কৰিলো।

(কুলধৰ শইকীয়া, আই পি এছ)

# অসম আৰক্ষী

## নাগৰিক সমিতি
## অসমৰ সামূহিক আৰক্ষী ব্যৱস্থাৰ এক অনবদ্য আৰ্হি




### সূচনা ঃ

আইন বলৱৎকৰণৰ বিভিন্ন স্তৰত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিতকৰণৰ অৰ্থে এখন উমৈহতীয়া মঞ্চ গঠনৰ লক্ষ্যই হ'ল— অসমত নাগৰিক সমিতিৰ জন্মৰ অন্তৰালৰ মূল চালিকা শক্তি ।নাগৰিক সমিতিৰ জন্ম হৈছিল ১৯৯৬ চনৰ ৩ জুলাইত গুৱাহাটী মহানগৰীৰ তদানীন্তন আৰক্ষী অধীক্ষক শ্ৰীযুত কুলধৰ শইকীয়া (আই পি এছ)ৰ তত্ত্বাৱধানত। এনে ভাবনাৰ গুৰিত আছিল এখন অংশগ্ৰহণকাৰী মঞ্চ গঠন। ভিন্ন স্তৰৰ নাগৰিকৰ উপস্থিতিত পাণবজাৰ থানাত আয়োজিত প্ৰথমখন সভাত গৃহীত প্ৰস্তাৱনাৰ ফলতে সকলোৰে অকুণ্ঠ সহযোগত ১৯৯৬ চনৰ ৩ জুলাইত প্ৰথমখন নাগৰিক সমিতি গঠন হৈছিল। পৰৱৰ্তী সময়ত মহানগৰীৰ ভৰলুমুখ, পল্টনবজাৰ, দিছপুৰ, নুনমাটি, জালুকবাৰী থানাতো এনেদৰে নাগৰিক সমিতি গঠন কৰা হৈছিল। ক্ৰমশঃ এই সম্পৰীক্ষা গুৱাহাটীৰ অন্যান্য থানাবোৰলৈ সম্প্ৰসাৰিত হ'ল। জনসাধাৰণে মুকলি অন্তৰেৰে ইয়াক আঁকোৱালি লোৱাৰ পৰিপ্ৰেক্ষিতত ২০১৬ চনত অসমৰ প্ৰতিখন থানালৈ ই সম্প্ৰসাৰিত হয়।



## প্ৰয়োজনীয়তা ঃ

বহু সময়ত দেখা যায় যে জনসাধাৰণৰ আৰক্ষীৰ ওপৰত বি শ্বাস তাকৰীয়া— স্বাভাৱিকতে, ই অপৰাধ প্ৰতিৰোধ, আৰু আইন-শৃংখলা ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক অপৰিমেয় বাধা, 'নাগৰিক সমিতি' নামৰ সমগ্ৰ ব্যৱস্থাপনা এই সত্যৰে ফলশ্ৰুতি। আইন বলৱৎকাৰী আৰু আইন মানি চলা নাগৰিকৰ মাজত থকা আস্থাৰ অভাৱে আৰক্ষীকে যে মাথোঁ নিৰুৎসাহিত কৰে এনে নহয়, ই সাধাৰণ ৰাইজকো বিচ্ছিন্ন কৰে। ফলত অধিকাংশ ক্ষেত্ৰতে আৰক্ষীয়ে জনসাধাৰণৰ সদিচ্ছাশূন্য এক পৰিৱেশত কাম-কাজ সমাপন কৰিবলগীয়া হয়। আমাৰ সমাজে কেইবাদশক জুৰি বিদ্ৰোহ আৰু গোষ্ঠীগত সংঘাতৰ মুখামুখি হৈ আহিছে— এনে পৰিপ্ৰেক্ষিতত আৰক্ষী আৰু জনসাধাৰণৰ সহযোগিতা অধিকতৰ শক্তি শালী কৰাৰ প্ৰয়োজন আছে। নাগৰিক আৰু আইন বলৱৎকাৰী সংস্থাসমূহৰ মাজৰ সদিচ্ছামূলক সম্বন্ধই অপৰাধ আৰু আইন-শৃংখলা ব্যৱস্থাপনাত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে।

## সাংগঠনিক গাঁথনি ঃ

নাগৰিক সমিতিৰ প্ৰাৰম্ভিক গাঁথনিমতে গুৱাহাটী মহানগৰীত প্ৰত্যেকখন আৰক্ষী থানাৰ আওতাত এখনকৈ এনে সমিতি থাকিব লাগিছিল। সি যি কি নহওক, স্থানীয় প্ৰয়োজন আৰু পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি এনে সমিতিৰ গঠন নমনীয় কৰা হৈছিল; কামৰ পৰিসৰ প্ৰসাৰিত কৰিবলৈ ৱাৰ্ডেপতি সমিতি গঠনৰ যত্ন কৰা হৈছিল। ২০১৬

চনত নাগৰিক সমিতিৰ উদ্যোগক এক ৰাজ্যিক পৰ্যায়ৰ প্ৰকল্পৰূপে ঘোষণা কৰা হৈছিল আৰু অসমৰ সকলো আৰক্ষী থানাই এনে সমিতি গঠন কৰিবলগীয়া হৈছিল।



সুখৰ বিষয় যে সমগ্ৰ অসমতে সম্প্ৰতি আৰক্ষী থানাভিত্তিক নাগৰিক সমিতি আছে। ঐকমত্যৰ ভিত্তিত সমিতিৰ সভাপতি আৰু আন সদস্যসকলক নিৰ্বাচিত কৰিব লাগে। আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে সমিতিৰ পদেন সচিব আৰু তেওঁ সমিতিৰ মাহেকীয়া সভাত উপস্থিত থাকিব লাগে। জিলা আৰক্ষী অধীক্ষকসকল আৰু আৰক্ষী আয়ুক্ত (গুৱাহাটী মহানগৰ) গৰাকী সমিতিৰ তিনিমহীয়া সভাত উপস্থিত থাকিব লাগে। কিন্তু

প্ৰয়োজনত আসন্ন ঘটনাৱলী, উৎসৱৰ স্বাৰ্থত সমিতিৰ সভা আহ্বান কৰিব পৰা যায়। সাধাৰণতে মাহেকীয়া সভাত দেৱানী আৰু অপৰাধবিষয়ক কথাবোৰ আলোচনা কৰা হয়— সেইবোৰৰ  সমাধানৰ উপায় বিবেচনা কৰা হয়। আজিৰ তাৰিখত মহানগৰীৰ ৬২ টা ৱাৰ্ডতে একোখনকৈ নাগৰিক সমিতি আছে। একেদৰে ৰাজ্যৰ সকলো আৰক্ষী



থানাতে নাগৰিক সমিতি আছে। আৰক্ষী-নাগৰিক সমিতিৰ নিবিড় সমন্বয়ত সমাজত অপৰাধ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে কাম কৰি আছে।

নাগৰিক সমিতিৰ সাংগঠনিক গাঁথনিৰ সংক্ষিপ্ত বিন্যাসটো নিম্নোক্ত ধৰণৰ—

- প্ৰতিখন আৰক্ষী থানাত একোখনকৈ নাগৰিক সমিতি থাকিব লাগে।
- এগৰাকী খ্যাতিমান ব্যক্তি ক নাগৰিক সমিতিৰ অধ্যক্ষৰূপে নিৰ্বাচিত কৰিব লাগে।
- আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া— পদেন সচিব।
- আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া— নাগৰিক সমিতিৰ সহকাৰী সচিব।

নাগৰিক সমিতিৰ সদস্যসকল ৱাৰ্ড/আৰক্ষী থানাৰ অধীনৰ বাসিন্দা। সমিতিৰ কোনো সদস্যই কোনো দেৱানী বা ফৌজদাৰী গোচৰত জড়িত থাকিব নালাগিব। তেওঁলোক মূলতঃ স্বেচ্ছাসেৱী। সংশ্লিষ্ট জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে নাগৰিক সমিতিত যাতে সমাজৰ ভিন্ন স্তৰৰ নাগৰিক অন্তৰ্ভুক্ত হয় সেইকথা নিশ্চিত কৰিবলৈ সক্ৰিয় ভূমিকা লয়।

## লক্ষ্য আৰু উদ্দেশ্য ঃ

চমুকৈ নাগৰিক সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য এনেধৰণৰ—

- আৰক্ষীৰে যোগাযোগৰ মাধ্যমেৰে শান্তিপূৰ্ণ এখন সমাজ গঠনৰ দিশে আগবঢ়াই নিবলৈ জনগণক জড়িত কৰা।
- অপৰাধ প্ৰতিৰোধ আৰু চিনাক্তকৰণ, আইন-শৃংখলা ৰক্ষণাবেক্ষণত আৰক্ষীক সহায় কৰা।
- আৰক্ষী-জনসাধাৰণৰ বিদ্যমান সম্বন্ধক শক্তিশালী কৰা।
- আইন-শৃংখলাজনিত পৰিকল্পনাত জনগণৰ অংশগ্ৰহণ নিশ্চিত কৰা।

আৰক্ষী আৰু জনগণ উভয়ে যাতে উপকাৰ পাব পাৰে সেই কথা মনত ৰাখি এই লক্ষ্যবোৰ থিৰাং কৰা হৈছে। বিভিন্ন সম্প্ৰদায়ৰ সৈতে আলোচনা কৰি আৰু তেওঁলোকৰ সমস্যাৰাজি সাৱধানে বিবেচনা কৰাৰ পাছতহে এইবোৰ লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰা হৈছে।



## সাফল্য ঃ

সম্প্ৰতি অসমৰ ৩৪৩ খন থানাৰ সকলোতে এনে নাগৰিক সমিতি আছে আৰু নিয়মীয়াকৈ সমিতিসমূহৰ সভা-আলোচনাচক্ৰ হৈ আছে। এই সমূহীয়া আৰ্হিটো স্থানীয় আৰক্ষীৰ বাবে আইন-শৃংখলা বলৱৎকৰণ, অপৰাধ প্ৰতিৰোধ আৰু ভিন্ন ধৰণৰ অপৰাধ চিনাক্তকৰণৰ ক্ষেত্ৰত সহায়ক হৈছে— আৰ্হিটো এই ভূমিকাৰ বাবে স্বাভাৱিকতে প্ৰশংসিতও। এনেকুৱা প্ৰচুৰ উদাহৰণ আছে য'ত নাগৰিক সমিতিৰ অংশগ্ৰহণ সফলকাম হৈছে, — বিশাল জনতাৰ সমাৱেশ ঘটা অম্বুবাচী মেলা, জোনবিল মেলা, ক্ৰিকেট আৰু অন্য আন্তৰ্জাতিক পৰ্যায়ৰ খেলাত সমবেত দৰ্শক

আদিক সুচাৰুৰূপে পৰিচালিত কৰাত এই আৰ্হি কামত আহিছে। স্থানীয় আৰক্ষী থানা পৰ্যায়ৰ অনুষ্ঠানৰ কথা নক'লোৱেই যেনিবা, এনে বহু উদাহৰণ আছে য'ত এনে সমিতিৰ সদস্যই জনগণৰ সক্ৰিয় সহযোগিতাত সময়োপযোগী তথ্য যোগানেৰে অনুসন্ধান প্ৰক্ৰিয়াক যাৱতীয় গতি প্ৰদান কৰিছে।

নাগৰিক সমিতিৰ জন্মৰ ইতিমধ্যে তেইশ বছৰ সম্পূৰ্ণ হৈ গ'ল যদিও নাগৰিক সমিতিৰ এক 'তথ্য ব্যৱস্থাপনা পদ্ধতি' হৈ উঠা নাই। ফলত ইয়াৰ সংখ্যাগত অৱদানসমূহ চিহ্নিত নহ'ল।

নাগৰিক সমিতিৰ কৃতকাৰ্যতাক ভিত্তি কৰি সমিতিক যাতে অধিক সুদক্ষ কৰি তুলিব পাৰি তাৰ বাবে 'তথ্য ব্যৱস্থাপনা পদ্ধতি' বিকশিত কৰাটো খুবেই জৰুৰী। সঠিক তথ্য অবিহনে নাগৰিক সমিতিৰ বিশাল অৱদানক লিপিবদ্ধ কৰিব পৰা নাযায়। তলত দিয়াধৰণে সমিতিৰ কিছু কাম-কাজৰ সংক্ষেপে বৰ্ণনা কৰিব পাৰি—

(ক) নাগৰিক সমিতিৰ সদস্যসকলে জনসাধাৰণৰ সৈতে হোৱা দৈনন্দিন ৰুটিন আৰু যোগাযোগৰ মাধ্যমেৰে আহৰণ কৰা কাৰ্যকৰী তথ্য যোগান ধৰে। তেওঁলোকে বিভিন্ন বিষয়ত যথা, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ, ড্ৰাগছৰ অপব্যৱহাৰ, মানৱ সৰবৰাহ, চাইবাৰ অপৰাধ, গণপ্ৰহাৰ আৰু হিংসামূলক কাৰ্যকলাপ, সুৰাজনিত দুঃখজনক ঘটনা, ডাইনী হত্যা, গোষ্ঠীগত সংঘৰ্ষ, গাৰ্হস্থ্য হিংসা, আন্দোলন আদিৰ বেলিকা প্ৰাসংগিক তথ্যাদি যোগান ধৰে— ই স্বাভাৱিকতে আৰক্ষী বাহিনীক অতিশয় সহায় কৰে। বহুক্ষেত্ৰত তেওঁলোকে দিয়া তথ্যৰ ভিত্তিত অপৰাধীক গ্ৰেপ্তাৰ কৰা আৰু চুৰি সামগ্ৰী উদ্ধাৰ কৰাটো সম্ভৱ হৈছেগৈ।

(খ) তেওঁলোকে আৰক্ষী থানা পৰ্যায়ত হ'ব পৰা ক্ষমতাৰ অপব্যৱহাৰৰ ক্ষেত্ৰত এক নিৰীক্ষকৰূপে কাম কৰে— কিয়নো সমিতিৰ বহু সদস্যৰ জ্যেষ্ঠ বিষয়াৰে পোনপটীয়া সম্বন্ধ থাকে।

(গ) বহুকেইখন মাহিলি, দুমহীয়া আৰু তিনিমহীয়া সভাত নাগৰিক সমিতিৰ সদস্যসকল নিয়মীয়াকৈ উপস্থিত থাকে— ফলত ই আৰক্ষী আৰু জনসাধাৰণৰ মাজত দৃষ্টিভংগী আৰু বোধৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনৰ লহৰে আৰক্ষী আৰু জনতাৰ মাজত বন্ধুত্বপূৰ্ণ সম্বন্ধ আৰু পাৰস্পৰিক শ্ৰদ্ধা বৃদ্ধি কৰিছে।



(ঘ) গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস উদ্‌যাপন, ভি আই পিৰ ভ্ৰমণ আৰু অম্বুবাচী মেলা, ক্ৰিকেট, ফুটবল খেল আদি ডাঙৰ ঘটনাৰ সময়ত নাগৰিক সমিতিৰ অসামান্য বৰঙণি স্পষ্ট হয়। তেওঁলোকে উৰা-বাতৰি, ড্ৰাগছৰ অপব্যৱহাৰ, সাম্প্ৰদায়িক উত্তেজনা আদিৰ বিৰুদ্ধে সামাজিক সজাগতাৰ সৃষ্টি কৰে।

## সামৰণি ঃ

নাগৰিক সমিতিৰ কাৰ্যকাৰিতাই নাগৰিকক এক শক্তি বৰ্ধকৰূপে কাম কৰিবলৈ অসাধাৰণ সুযোগ দিয়ে। নাগৰিক সমিতিয়ে যদি দক্ষতাৰে কাম কৰে, তেন্তে ই মাথোঁ আৰক্ষীৰ তথ্য ভাণ্ডাৰকে উন্নত নকৰে, বৰং ই মানুহক আৰক্ষীয়ে আইন প্ৰয়োগত সন্মুখীন হোৱা নানা জটিলতা উপলব্ধি কৰাতো সহায় কৰে।

আহক, অসমৰ চুকে-কোণে থকা নাগৰিক সমিতিক উদ্ভাৱনী উপায়েৰে শক্তিশালী কৰিবলৈ আমি সংকল্পবদ্ধ হওঁ।

নাগৰিক সমিতিক ৰাজ্যখনত সমূহীয়া আৰক্ষী ব্যৱস্থাৰ এক শক্তিশালী প্ৰতিষ্ঠানৰূপে গঢ় দিওঁ আহক।